জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৮১/২০২০

# বিশ্বনাথ,মাজুলী আৰু ধেমাজী জিলাত ক'ভিড-১৯ প্ৰতিৰোধৰ বাবে লোৱা পদক্ষেপৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

**চাহ বাগিচাৰ শ্ৰমিকসকলৰ কৰ্মক্ষেত্ৰত সামাজিক ব্যৱধান সুনিশ্চিতকৰণকে ধৰি স্বাস্থ্য সন্মত বিধি-বিধানৰ নিয়মীয়া পৰ্যবেক্ষণৰ বাবে নিৰীক্ষণ গোট গঠনৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**

**জিলাৰ দায়িত্বত থকা মন্ত্ৰী, সাংসদ, বিধায়কসকলৰ সৈতে সংশ্লিষ্ট জিলাৰ লক ডাউনৰ সময়ছোৱাত উদ্ভৱ হোৱা পৰিস্থিতি নিৰাময়ৰ বাবে নিয়মীয়া বৈঠক অনুষ্ঠিত কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**

**দিছপুৰ, ১৬ এপ্ৰিলঃ** বিশ্বনাথ জিলাৰ চাহ বাগিচা সমূহৰ শ্ৰমিকসকলৰ মাজত কৰ্মক্ষেত্ৰত সামাজিক ব্যৱধান সুনিশ্চিতকৰণকে ধৰি স্বাস্থ্য সন্মত বিধি-বিধানৰ নিয়মীয়া পৰ্যবেক্ষণৰ বাবে কেতবোৰ নিৰীক্ষণ গোট গঠন কৰিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিশ্বনাথ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। সেইদৰে জিলাখনৰ ৯ হাজাৰ গৰাকী ক্ষুদ্ৰ চাহ খেতিয়কে যাতে লক ডাউনৰ সময়ছোৱাত কলঘৰলৈ কেঁচাপাত কঢ়িওৱাকে ধৰি কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয় সেয়া সুনিশ্চিত কৰিবলৈও জিলা প্ৰশাসনক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। আজি বিশ্বনাথ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত ক'ভিড-১৯ সম্পৰ্কীয় এক পৰ্যালোচনা বৈঠকত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে এই নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা অনুসৰি অসমতো দ্বিতীয় পৰ্যায়ৰ লক ডাউন সৰ্বাত্মক ৰূপত বলবৎ কৰাৰ বাবে চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। এই সময়ছোৱাত কৃষক ৰাইজক স্বাস্থ্য সন্মত বিধি-বিধান মানি কৃষিকৰ্মত নিয়োজিত হ'বৰ বাবে চৰকাৰে অনুমতি প্ৰদান কৰিছে। কৃষক ৰাইজে ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আদিৰ ব্যৱহাৰকে ধৰি কৃষি কাৰ্যত যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয় সেয়া সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা কৃষি বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে জিলাখনত পশু খাদ্য পৰ্যাপ্ত পৰিমাণে উপলব্ধ কৰাবলৈ পশু পালন আৰু পশু চিকিৎসা বিভাগক নিৰ্দেশ দিয়ে।

লক ডাউনৰ সময়ছোৱাত জিলাখনত উদ্ভৱ হোৱা যিকোনো সমস্যাৰ সমাধানকল্পে জিলাৰ দায়িত্বত থকা মন্ত্ৰী, সাংসদ আৰু বিধায়কসকলৰ সৈতে নিয়মীয়াভাৱে বৈঠক অনুষ্ঠিত কৰিবলৈও জিলা উপায়ুক্ত গৰাকীক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলাখনত ধুমুহাত হোৱা সামগ্ৰিক ক্ষয়-ক্ষতিৰো বুজ লয়।

মুখ্যমন্ত্ৰীয়ে কয় যে বিশ্বনাথ জিলাৰ ৯ লাখ জনতাই যাতে এই সময়ছোৱাত অত্যাৱশ্যকীয় সামগ্ৰী আৰু প্ৰয়োজনীয় সেৱা সমূহৰ ক্ষেত্ৰত কোনো প্ৰকাৰে বঞ্চিত নহয় সেয়া জিলা প্ৰশাসনে সুনিশ্চিত কৰিব লাগিব। জিলাখনত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণত ৰখা, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ চাউল বিতৰণত কোনো খেলি-মেলি নোহোৱাটো সুনিশ্চিত কৰা আৰু প্ৰয়োজনীয় খাদ্য সামগ্ৰী পৰ্যাপ্ত পৰিমাণে মজুত ৰখাটো সুনিশ্চিত কৰাৰ বাবে এক নিৰীক্ষণ ব্যৱস্থা গঢ়ি তোলাৰ ওপৰটো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ

কৰে। এই দুঃসময়ৰ সুযোগ লৈ যাতে কোনো অসাধু চক্ৰই জনবিৰোধী অপকৰ্মত লিপ্ত হ'ব নোৱাৰে তাৰ বাবে প্ৰয়োজনত অতি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে উপায়ুক্তক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কেন্দ্ৰীয় চৰকাৰে অসমৰ ৩৩ খন জিলাৰ ভিতৰত ৩২ খন জিলাকে উচ্চ আৰু মজলীয়া ক'ভিড সংক্ৰমণ প্ৰৱণ জিলা হিচাপে চিহ্নিত কৰিছে। সেয়েহে অনাগত সময়ছোৱাত আমি অধিক সতৰ্ক হ'ব লাগিব। জিলাখনত বহিঃৰাজ্যৰ পৰা অহা ছাত্ৰ-ছাত্ৰী, শ্ৰমিক আদিক নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ লগতে সম্পূৰ্ণ নিৰীক্ষণত ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। অহা ৩ মে'লৈকে দ্বিতীয় পৰ্যায়ৰ লক ডাউনৰ এই সময়ছোৱা ভালদৰে পৰা হ'লে আমি সম্পূৰ্ণ সুৰক্ষিত হ'ব পাৰিম বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এই সময়ছোৱাত ৰাইজ ঘৰৰ ভিতৰতে আবদ্ধ হৈ থাকিব লগা হোৱাত যথেষ্ট কষ্টৰ সন্মুখীন হৈছে। চৰকাৰৰ আহ্বানৰ প্ৰতি জনসাধাৰণে জনোৱা এই অকুণ্ঠ সঁহাৰি আৰু সহযোগৰ বিনিময়ত আমি প্ৰতি মুহূৰ্ততে তেওঁলোকৰ সুখ-দুখৰ খবৰ ৰাখিব লাগিব। জিলাখনত থকা নিয়ন্ত্ৰণ কক্ষক ২৪ ঘন্টাই সক্ৰিয় কৰি ৰাখিবলৈ উপায়ুক্ত গৰাকীক নিৰ্দেশ দি মুখ্যমন্ত্ৰীয়ে কয় যে এই নিয়ন্ত্ৰণ কক্ষলৈ অহা প্ৰতিটো ফোন কলৰে উপযুক্তৰূপত সঁহাৰি জনোৱাটো জিলা প্ৰশাসনে সুনিশ্চিত কৰিবই লাগিব। ৰাইজৰ স্বাৰ্থত লক ডাউনৰ সময়ছোৱাত আমি স্বাভাৱিক সময়তকৈ বেছি সময় কাম কৰিব লাগিব বুলি উল্লেখ কৰি সকলোকে সততা, নিষ্ঠা আৰু ৰাইজৰ প্ৰতি বন্ধুত্বসুলভ মনোভাৱেৰে কৰ্মত ব্ৰতী হ'বলৈ তেওঁ বিষয়া-কৰ্মচাৰীসকলক আহ্বান জনায়। জিলাখনত ইনছুলিন, এন্টি ভেনম আদিৰ দৰে জীৱনদায়িনী ঔষধ পৰ্যাপ্ত পৰিমাণে মজুত ৰাখিবলৈ তেওঁ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকক নিৰ্দেশ দিয়ে।

বিশ্বনাথ জিলাৰ ৰাইজৰ মাজত অত্যাৱশ্যকীয় সামগ্ৰীৰ নিৰ্দ্ধাৰিত মূল্য সন্দৰ্ভত গাঁৱে-ভূঞে পৰ্যাপ্ত প্ৰচাৰৰ দিহা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে উপায়ুক্তক নিৰ্দেশ দিয়ে।

উল্লেখ্য যে বিশ্বনাথ জিলাত ৩৪৪২ গৰাকী লোকক গৃহত আছুতীয়াকৈ ৰখা হৈছে আৰু তেওঁলোকক বিভিন্ন স্বাস্থ্য কৰ্মী যেনে এ এন এম নাৰ্চ, এম পি ডব্লিউ কৰ্মী, আশা কৰ্মী আদিৰে গঠিত নিৰীক্ষণ গোট সমূহে পৰ্যবেক্ষণ কৰি আছে। এই পৰ্যন্ত জিলাখনত ১৭ গৰাকী ব্যক্তিৰ ক'ভিড-১৯ পৰীক্ষা কৰা হৈছে তাৰে ১৫ গৰাকীৰ সংক্ৰমণ নোহোৱাটো নিশ্চিত হোৱাৰ বিপৰীতে দুগৰাকীৰ ফলাফল অপেক্ষাত আছে। জিলাখনত ৫ গৰাকী ব্যক্তিক চিকিৎসালয়ত আছুতীয়াকৈ ৰখা হৈছে, জিলাখনৰ চিকিৎসালয় সমূহত ১৯৭ খন আইচ'লেশ্যন বিছনা সাজু কৰি ৰখা হৈছে। জিলাখনত এই পৰ্যন্ত ৪১ টা পি পি ই কিট, ৬২০ টা এন- ৯৫ মাস্ক, ৮ হাজাৰ টা ত্ৰিপল লেয়াৰ মাস্ক, ৪ হাজাৰ টা গ্লোভচ, ৩৫০০ লিটাৰ চেনিটাইজাৰ মজুত আছে বুলি উপায়ুক্তই মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই পৰ্যালোচনা বৈঠকত বিশ্বনাথ জিলাৰ দায়িত্বত থকা হস্ততাঁত বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী ৰঞ্জিত দত্ত, সাংসদ পল্লৱ লোচন দাস, বিধায়কসকল ক্ৰমে পদ্ম হাজৰিকা, প্ৰমোদ বৰঠাকুৰ, উৎপল বৰা, প্ৰশান্ত ফুকন আৰু বিমল বৰা, বিশ্বনাথ জিলাৰ উপায়ুক্ত ধ্ৰুৱজ্যোতি দাস, আৰক্ষী অধীক্ষক ৰাজেন সিং, গহপুৰৰ মহকুমাধিপতি নৰেন্দ্ৰ কুমাৰ শ্বাহৰ লগতে বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আনহাতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাজুলীৰ গড়মূৰস্থিত শ্ৰীশ্ৰী পিতাম্বৰদেৱ গোস্বামী মহকুমা অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰি হাস্পতালখনত থকা আছুতীয়া কক্ষকে ধৰি অন্যান্য সা-সুবিধাৰ বুজ লয়। ইয়াৰ পিছতে মাজুলী জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত মুখ্যমন্ত্ৰীয়ে জিলাখনত ক'ভিড-১৯ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে জিলা প্ৰশাসনে লোৱা ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক সামাজিক দূৰত্ব বজাই ৰাখি কৃষকে যাতে কৃষি কাৰ্যত নিয়োজিত হ'ব পাৰে তাৰ বাবে গাঁৱে-গাঁৱে, ঘৰে-ঘৰে গৈ কৃষক সকলক দিহা-পৰামৰ্শ আগবঢ়াবলৈও নিৰ্দেশ দিয়ে। লক ডাউনৰ সময়ছোৱাত যাতে জনসাধাৰণে অত্যাৱশ্যকীয় সা-সামগ্ৰী লাভ কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ অসুবিধানৰ সন্মুখীন নহয় সেইটো সুনিশ্চিত কৰাৰ বাবেও জিলা প্ৰশাসনক তেওঁ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে প্ৰতিটো বিভাগে লক ডাউনৰ সময়ছোৱাত কৰা কাম-কাজ সমূহৰ বিতং পৰ্যালোচনা কৰে। অহা ৩ মে'লৈকে লক ডাউনৰ সময়ছোৱাত জনসাধাৰণে যাতে সামাজিক দূৰত্ব বজাই ৰাখে তাক সুনিশ্চিত কৰিবলৈও উপায়ুক্তক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, বিধায়ক দ্বয় ক্ৰমে প্ৰশান্ত ফুকন, বিমল বৰা, উপায়ুক্ত বিক্ৰম কৈৰী, আৰক্ষী অধীক্ষক, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা পৰিষদৰ অধ্যক্ষা, বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়া সকল উপস্থিত থাকে।

মুখ্যমন্ত্ৰীয়ে আজি ধেমাজি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত জিলাখনত ক'ৰণা ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থাৱলী পৰ্যালোচনা কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলাখনত লক ডাউনৰ কাৰ্যসূচীৰ সময়ছোৱাত জনসাধাৰণে ঘৰতে আবদ্ধ হৈ থাকি সামাজিক ব্যৱধান মানি চলাটো সুনিশ্চিতকৰণৰ বাবেও প্ৰশাসনক নিৰ্দেশ দিয়ে। আনহাতে লক ডাউনৰ সময়ছোৱাত জনসাধাৰণে যাতে সামাজিক দূৰত্ব বজাই ৰাখি অত্যাৱশ্যকীয় সামগ্ৰী লাভ কৰিব পাৰে তাক সুনিশ্চিতকৰণৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে প্ৰতিটো বিভাগৰে কাম-কাজৰ বিতং পৰ্যালোচনা কৰে।

আজিৰ এই বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, বিমল বৰা, ৰণোজ পেগু, ভূবন পেগু, মিচিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েংগিয়া, উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু জিলাখনৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ /ৰাঃবঃ / বঃভাঃ / পুঃডেঃ**
**১৬/৪/২০২০**